**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 13-01-2026 **Time :** 1100 Hrs.

০০০০০০

অসমৰ বাপতি সাহোন ভোগালী বিহুৰ আজি উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ উদ্দীপনাৰে উৰুকাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। হেঁপাহৰ ভোগালীৰ উচাহত অতিথি আপ্যায়নৰ বাবে অসমীয়া ৰাইজে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল শ্ৰীলক্ষ্মণ প্ৰসাদ আচাৰ্য্যই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ভোগালী বিহু অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য ধৰোহৰ বুলি ৰাজ্যপালগৰাকীয়ে অসমবাসীলৈ আগবঢ়োৱা মন্তব্যত উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো ভোগৰ উৎসৱ উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই উৎসৱ কৃষকৰ সমৃদ্ধি আৰু জাতীয় ঐক্যৰ প্ৰতীক স্বৰূপ বুলি মন্তব্য কৰে।

গুৱাহাটী মহানগৰীৰ উজান বজাৰত উৰুকা উপলক্ষে মাছৰ বজাৰত আজি পুৱতি নিশাৰ পৰা ক্ৰেতাৰ ভিৰ পৰিলক্ষিত কৰা হয়। একেদৰে, মহানগৰীৰ কলংপাৰ, বেলতলা, বামুণীমৈদাম, গণেশগুৰিৰ দৰে অন্যান্য বজাৰসমূহতো উৰুকাৰ লগভাতৰ যোগাৰ কৰিবলৈ ক্ৰেতা আৰু বিক্ৰেতাৰ বিপুল সমাগম হোৱা দেখিবলৈ পোৱা যায়।

ডিব্ৰুগড় জিলাতো ভোগালী বিহুৰ ব্যাপক আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন ঠাইত মেজি আৰু ভেলাঘৰ সাজি ভোজভাত খোৱাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ বাণীপুৰত ৰংঘৰৰ আৰ্হিত সজা ভেলাঘৰে সকলোৰে দৃষ্টি আকৰ্ষিত কৰিছে। জিলা প্ৰশাসনে উৰুকা আৰু মাঘ বিহু উপলক্ষে মাছ-মাংস,গাখীৰ-দৈকে ধৰি বিভিন্ন খাদ্য সামগ্ৰীৰ বজাৰমূল্য অতিৰিক্তভাৱে বৃদ্ধি নকৰিবলৈ বেপাৰীসকলৰ কাৰণে এখন নিৰ্দিষ্ট মূল্য তালিকা প্ৰকাশ কৰিছে।

কাছাৰ জিলাতো মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে উৎসাহ উদ্দীপনা হৈছে। জিলাখনৰ বিভিন্ন গাঁও আৰু চহৰ অঞ্চলত সৃষ্টিশীল আৰ্হিত ভেলাঘৰ সাজি উলিওৱা হৈছে। পৰম্পৰাগত খাদ্য সম্ভাৰেৰে ভোগালীক আদৰিবলৈ কাছাৰ জিলাৰ ৰাইজ সাজু হৈছে।

হোজাই জিলাতো উৰুকা উপলক্ষে পুৱাৰেপৰা লংকাৰ মাছৰ বজাৰত ভিৰ পৰিলক্ষিত হৈছে। একেদৰে, উত্তৰ গুৱাহাটীৰ আমিনগাঁৱৰ মাছৰ বজাৰত পুৱতি নিশাৰেপৰা উত্তৰ কামৰূপৰ বিভিন্ন প্ৰান্তৰ গ্ৰাহকৰ সমাগম হৈছে।

গোৱালপাৰা আৰু ধুবুৰী জিলাতো বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলে উলহ মালহেৰে উৰুকা পালনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

হোজাই জিলাৰ মীন বিভাগে আজি উৰুকা উপলক্ষে বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ বজাৰ মূল্য নিৰ্ধাৰণ কৰিছে। জিলা মীন বিষয়া ভৱানী প্ৰসাদ নাথে এই বিষয়ে উল্লেখ কৰি মাছৰ বজাৰত বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ নিৰ্দিষ্ট মূল্য বৰ্তাই ৰাখিবলৈ ব্যৱসায়ীসকলক আহ্বান জনায়।

০০০০০০

ভোগালীৰ উছাহৰ মাজতে ৰাজ্যবাসীলৈ শোকৰ বাৰ্তা কঢ়িয়াই বিশিষ্ট সংগীত শিল্পী সমৰ হাজৰিকাৰ আজি পুৱা দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি নিউমোনিয়া ৰোগত আক্ৰান্ত হৈ থকা শিল্পীগৰাকীয়ে নিজা বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। ১৯৬০ চনত সংগীতৰ ক্ষেত্ৰতখনত প্ৰৱেশ কৰা প্ৰয়াত হাজৰিকাৰ ১৯৬৮ চনত প্ৰথমখন এলবাম প্ৰকাশ হৈ ওলায়। উত্তৰ কোঁৱৰ প্ৰতিমা বৰুৱা দেৱী নামৰ প্ৰথম এলবামৰ পাছত তেওঁ প্ৰভাতী পখীৰ গান, উপপথ, বোৱাৰী ইত্যাদি ছবিত কণ্ঠদান কৰে। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ কনিষ্ঠ ভাতৃ বিশিষ্ট শিল্পীগৰাকীৰ শেষকৃত্য নৱগ্ৰহ শ্মশান ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি পৰিয়ালে জানিবলৈ দিছে। শিল্পীগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

এদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকাত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাছাৰ জিলাৰ শিলচৰত সদ্যপ্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থৰ পৰিয়ালক সাক্ষাৎ কৰে। সাক্ষাৎকাৰৰ পাছত অতিব কৰ্মপৰায়ণ প্ৰয়াত মন্ত্ৰীগৰাকী অসমৰ ৰাজনীতিৰ এজন মহীৰূহ আছিল বুলি সাংবাদিকৰ আগত ড০ শৰ্মাই মন্তব্য কৰে। বৰাক উপত্যকা ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা আঁচনিৰ অধীনত কাছাৰ আৰু শ্ৰীভূমি জিলাত মহিলা হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰিব। শ্ৰীভূমি জিলাৰ ক্ৰীড়া সন্থা খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীত ১৪হাজাৰ ১৩৫গৰাকী মহিলাক ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ইয়াৰ পাছত কাটিগৰা বিধানসভা সমষ্টিৰ ৰাজপুৰ খেলপথাৰত আৰু বৰখলা বিধানসভা সমষ্টিৰ শিলকুৰি খেলপথাৰত মুখ্যমন্ত্ৰীগৰাকীয়ে চেক প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণহাট আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্য বিৰোধী অভিযান চলাই কেইবাজনো সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে। মৰাণহাটৰ জ্যোতিপুৰৰপৰা আৰক্ষীয়ে ৯জন সৰবৰাহকাৰীক বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে তদন্তকালত দুখন মটৰ চাইকেল আৰু দুখন ই-ৰিক্সাও জব্দ কৰে।

০০০০০০

২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফি আজি গুৱাহাটীলৈ অনা হ'ব। ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে বিশ্বকাপৰ ট্ৰফিক আদৰণি জনোৱাৰ বাবে বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। লোক কৃষ্টি সংস্কৃতিৰে ফুটবল বিশ্বকাপৰ ট্ৰফিক আদৰণি জনোৱা হ'ব। বিমানবন্দৰৰ পৰা ট্ৰফি পুৱা সৰুসজাই ষ্টেডিয়ামলৈ আৰু বিয়লি ৩ বজাত বৰ্ষাপাৰাস্থিত এ চি এ ষ্টেডিয়ামলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিশা ৮ বাজি ১০ মিনিটত এই ট্ৰফি উন্মোচন কৰাৰ কথা। এই কাৰ্যসূচীত প্ৰাক্তন বিশ্বকাপ বিজয়ী তথা ফিফাৰ প্ৰতিনিধি গিলবাৰ্টো আপাৰেচিড' দা ছিল্‌ভা উপস্থিত থাকিব। ৰাজ্য চৰকাৰে ট্ৰফি চোৱাৰ বাবে বিনামূলীয়াকৈ ৮-১০ হাজাৰ অনুমতি পত্ৰৰ ব্যৱস্থা কৰিছে। লগতে আজি একেখন মঞ্চতে এটি সংগীতানুষ্ঠানৰো আয়োজন কৰা হৈছে, য'ত কেইবাগৰাকীও জনপ্ৰিয় শিল্পীয়ে অংশগ্ৰহণ কৰিব। গুৱাহাটী মহানগৰীৰ যান বাহন আৰক্ষীয়ে বৰ্ষাপাৰাত হ'বলগীয়া এই বিশেষ অনুষ্ঠানৰ বাবে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

**সমাপ্ত**